# 2019

## ASSAMESE

### ( Major )

Paper : 4·2

*Full Marks* : 75

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×৭=৭

(ক) অইনিঃতম শব্দটোৰ অৰ্থ কি ?

(খ) কুশান গান কি ?

(গ) 'নংক্ৰেম' কোন জনগোষ্ঠীৰ উৎসৱ ?

(ঘ) বাভা জনগোষ্ঠীৰ এক প্ৰধান উৎসৱৰ নাম লিখা।

(ঙ) জিকিৰবোৰ কোনে ৰচনা কৰিছিল ?

(চ) *The Marriage System of the People of Assam* গ্ৰন্থখনৰ ৰচয়িতা কোন ?

(ছ) অসমৰ চাহ জনগোষ্ঠীসকলৰ মাজত প্ৰচলিত এটি বসন্তোৎসৱৰ নাম লিখা।

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) মহোহো উৎসৱ কি উদ্দেশ্যে পালন কৰা হয়? অসমীয়া কোন মাহত এই উৎসৱ পালন কৰা হয়?

(খ) 'ভাবীগান' কোন অঞ্চলৰ নাট্যানুষ্ঠান? এই নাট্যানুষ্ঠান কি আখ্যানৰ ওপৰত আধাৰিত?

(গ) ভৌতিক সংস্কৃতি বুলিলে কি বুজা?

(ঘ) মাঘ বিহু কেতিয়া পালন কৰা হয়? মাঘ বিহুৰ আন এটা নাম কি?

৩। চমু উত্তৰ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) লোক-পৰিবেশ্য কলা বুলিলে কি বুজা, আলোচনা কৰা।

(খ) অসমীয়া মানুহৰ উপাধিবোৰ কিহৰ ভিত্তিত নিৰ্ধাৰণ কৰা হৈছিল, চমুকৈ আলোচনা কৰি পাঁচটা উপাধিৰ উল্লেখ কৰা।

(গ) বাৰে চহৰীয়া ভাওনাৰ বিষয়ে চমুকৈ লিখা।

(ঘ) তাঁত-শালৰ সঁজুলিসমূহৰ বিষয়ে লিখা।

(ঙ) পুতলা নাচৰ বিষয়ে চমুকৈ লিখা।

(চ) আখৈ তোলা নিয়মৰ বিষয়ে লিখা।

(ছ) আলি আই লৃগাঙ উৎসৱৰ চমু আভাস দিয়া।





৪। (ক) অসমীয়া সংস্কৃতিলৈ অষ্ট্ৰিকসকলৰ অৱদানৰ বিষয়ে এটা আলোচনা যুগুত কৰা। ১০

*অথবা*

(খ) অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ অৱদানৰ বিষয়ে এটা নিবন্ধ যুগুত কৰা।

৫। (ক) ভাষা আৰু সাংস্কৃতিক বিনিময়ৰ বিষয়ে আলোচনা কৰা। ১০

*অথবা*

(খ) বিহুগীতত অসমীয়া জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

৬। (ক) অসমীয়া শিল্প আৰু সুকুমাৰ কলাত তিব্বত-বৰ্মীসকলৰ প্ৰভাৱ কি কি দিশত পৰিছে, আলোচনা কৰা। ১০

*অথবা*

(খ) অসমীয়া বিবাহ অনুষ্ঠানৰ লগত জড়িত অধিবাস, গাঁঠিয়ন খুন্দা, সুৱাগুৰি তোলা আৰু আঠমঙলাৰ বিষয়ে চমুকৈ আলোচনা কৰা।

৭। (ক) পুৰণি অসমৰ শৈৱধৰ্মৰ বিষয়ে আলোচনা এটা যুগুত কৰা। ১০

*অথবা*

(খ) বৈষ্ণৱধৰ্মৰ ইতিহাস আৰু অসমত এই ধৰ্মৰ প্ৰসাৰ কিদৰে হৈছিল, চমুকৈ আলোচনা কৰা।

★★★